**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-MAY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি চতুৰ্থ দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী অতুল বৰাই কালি এই বিধেয়কখন সদনত উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে বহুবিবাহ নিষিদ্ধ কৰাৰ লগতে লিভ-ইন সম্পৰ্কত থকা লোকসকলৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈ বিচৰা হৈছে। অৱশ্যে ৰাজ্যখনত বসবাস কৰি থকা অনুসূচিত জনজাতিৰ লোকসকলক এই বিধেয়কে সামৰি নল'ব। বিবাহৰ ক্ষেত্ৰত পুৰুষৰ ন্যূনতম বয়স ২১ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ১৮ বছৰ নিৰ্ধাৰণ কৰাৰ লগতে বহুবিবাহ নিষিদ্ধ কৰিবলৈ বিচৰা হৈছে। আনহাতে, আইনী অধিকাৰৰ সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে এই বিধেয়কত বিবাহ আৰু বিবাহ বিচ্ছেদৰ পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈকো বিচৰা হৈছে।

ইয়াৰ জৰিয়তে অসম উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ভিতৰত এই বিধেয়ক উত্থাপন কৰা প্ৰথমখন আৰু দেশৰ ভিতৰত তৃতীয়খন বিজেপি শাসিত ৰাজ্য হিচাপে পৰিগণিত হ'ল। উল্লেখযোগ্য যে চলিত বৰ্ষৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰচাৰিত সংকল্পপত্ৰত বিজেপিয়ে অসমত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ প্ৰতিশ্ৰুতি দিছিল।

০০০০০০

ৰাজ্যত যোৱা ১৮ মে'ৰ পৰা চলি থকা কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ **জন ভাগীদাৰী– সবছে দূৰ, সবছে পেহলে** অভিযানৰ বিভিন্ন কাৰ্যসূচীৰ কালি অন্ত পৰে। জিলা প্ৰশাসনসমূহৰ প্ৰত্যক্ষ তত্বাৱধানত চৰকাৰী আঁচনি আৰু জন সেৱামূলক কাৰ্যসূচীত সাধাৰণ নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই অভিযানত ৰাজ্যৰ গ্ৰামাঞ্চলসমূহৰ স্বাস্থ্যসেৱা, পশু স্বাস্থ্য সুৰক্ষা আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়।

নগাঁও জিলাত বিগত ১৮ মে'ৰ পৰা আৰম্ভ হোৱা সপ্তাহজোৰা জন ভাগীদাৰী অভিযান কালি সফলতাৰে সামৰণি পৰে। জিলাখনৰ ১৬টা উন্নয়ন খণ্ডৰ অন্তৰ্গত জনজাতি বসতিপ্ৰধান ৩৪ খন গাঁৱত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অভিযান চলা সময়ছোৱাত ৩৭টা বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ উপৰি বিভিন্ন আধাৰ কাৰ্ড, ৰেচন কাৰ্ড, আয়ুষ্মান ভাৰত স্বাস্থ্য কাৰ্ড, ভূমি হস্তান্তৰণ নথি, কিষাণ ক্ৰেডিট কাৰ্ড আদি বিভিন্ন সুবিধা ঠাইতে প্ৰদান কৰা হয়। ৩০৪টা বিষয় ঠাইতে সমাধা হয় আৰু বাকী ৬৩টা বিষয় সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হয়।

যোৰহাটতো এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য, পশুপালন আৰু মীন বিভাগৰ যুটীয়া উদ্যোগত গ্ৰহণ কৰা একাধিক কাৰ্যসূচীৰ জৰিয়তে সাধাৰণ ৰাইজক প্ৰয়োজনীয় সেৱা আগবঢ়োৱাৰ লগতে সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়।

০০০০০০

সামাজিক মাধ্যমত শিশুৰ সুৰক্ষা আৰু গোপনীয়তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে অসম আৰক্ষীয়ে ৰাজ্যৰ বিদ্যালয়সমূহলৈ বিশেষ পৰামৰ্শাৱলী জাৰি কৰিছে। ইয়াৰ জৰিয়তে বিদ্যালয়সমূহৰ শিক্ষক তথা অন্যান্য কৰ্মচাৰীক এ আই মৰ্ফিং, গ্ৰুমিং, চাইবাৰ বুলিং ইত্যাদ সম্পৰ্কে অধিক সজাগ হ'বলৈ আহ্বান জনাই শিশুৰ নাম, শ্ৰেণী, অৱস্থিতি বা ফোন নম্বৰ জাতীয় ব্যক্তিগত তথ্য সামাজিক মাধ্যমত শ্বেয়াৰ কৰাৰ পৰা বিদ্যালয় কৰ্তৃপক্ষক বিৰত থাকিবলৈ অসম আৰক্ষীয়ে পৰামৰ্শ দিছে। তদুপৰি চাইবাৰ অপৰাধৰ পৰা ৰক্ষা কৰিবলৈ শিশুৰ সহজতে চিনাক্ত কৰিব পৰা

ফটো বা ভিডিঅ' প'ষ্ট কৰাৰ বিপৰীতে দলীয় ফটো, মুখমণ্ডল অনুজ্বল কৰা ফটো প'ষ্ট কৰিবলৈ দিহা আগবঢ়াইছে। আনহাতে শিশুৱে অংশগ্ৰহণ কৰা অনুষ্ঠানৰ স্থান টেগ নকৰিবলৈকো বিদ্যালয়সমূহক বিশেষভাৱে সতৰ্ক কৰি দিয়া হৈছে।

০০০০০০

ঈদ-উল-আজহা উপলক্ষে অহা ২৮ মে'ৰ দিনটো ৰাজ্যত চৰকাৰী বন্ধ হিচাপে ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ঈদ-উল-আজহা পালনৰ সম্পৰ্কে চৰকাৰলৈ অহা আবেদনসমূহৰ পৰিপ্ৰেক্ষিতত পূৰ্বতে ঘোষিত কাইলৈৰ বন্ধৰ তাৰিখ সংশোধন কৰি এই নতুন অধিসূচনা জাৰি কৰা হৈছে। সাধাৰণ প্ৰশাসন বিভাগৰ দ্বাৰা জাৰি কৰা অধিসূচনা অনুসৰি সেইদিনা ৰাজ্য চৰকাৰৰ অধীনৰ সকলো কাৰ্যালয়, আদালত, বেংক তথা বিত্তীয় প্ৰতিষ্ঠান আদি বন্ধ থাকিব।

০০০০০০

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শ্ৰীমতী মুৰ্মুৱে এই অনুষ্ঠানতে দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰে।

অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে কলাৰ ক্ষেত্ৰত হৰিচৰণ শইকীয়া, পখিলা লেকথেপি আৰু নুৰুদ্দিন আহমেদলৈ, কৃষিক্ষেত্ৰত যোগেশ দেউৰীলৈ আৰু ৰাজহুৱা পৰিক্ৰমাত মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ গৰাকী ব্যক্তিক পদ্ম বিভূষণ, ১৩ গৰাকীক পদ্ম ভূষণ আৰু ১১৩ গৰাকীক পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ১৩১ গৰাকী ব্যক্তিলৈ পদ্ম বঁটা আগবঢ়োৱা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ সন্মানাৰ্থে এই বঁটা প্ৰদান কৰা হয়। ০০০০০

০০০০০০

**সমাপ্ত**